# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-01-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। দেশত অহা বছৰ ১৫ আগষ্টৰ পৰা বুলেট ট্ৰেইন চলাচলৰ সম্ভাৱনা আছে বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপৰহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব।

৩। আন্তঃৰাষ্ট্ৰীয় সাংবাদিক মঞ্চ IFJ-ই ২০২৫ বৰ্ষত সমগ্ৰ বিশ্বত মুঠ ১২৮ জন সাংবাদিক আৰু সংবাদ কৰ্মীক হত্যা কৰা হৈছে বুলি প্ৰকাশ কৰিছে।

৪। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে ঘৰুৱা ৰন্ধন গেছৰ মূল্য সলনি হোৱা নাই বুলি স্পষ্ট কৰি দিছে।

*আৰু*

৫। ভাৰতীয় ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশাসন আইনৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহৰ কাৰ্যকৰীকৰণৰ ফলত ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিষদ আৰু ক্ৰীড়া নায়াধীকৰণত পথ প্ৰসস্ত হৈছে।

০০০০০

দেশত অহা বছৰ ১৫ আগষ্টৰ পৰা বুলেট ট্ৰেইন চলাচলৰ সম্ভাৱনা আছে বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰগৰাকীয়ে কয়, যে আহমেদাবাদ আৰু মুম্বাই সংযোগী দেশৰ প্ৰথম বুলেট ট্ৰেইন প্ৰকল্প নিৰ্মীয়মান অৱস্থাত আছে। তেওঁ কয়, যে এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ অধীনত চুৰাট-বিলিম'ৰা সংযোগী  পথচোৱা মুকলি কৰা হ'ব আৰু ইয়াৰ পাছতে ৱাপীৰ পৰা চুৰাট সংযোগী দ্বিতীয় পৰ্যায়ৰ পথচোৱা উদ্বোধন কৰা হ'ব।

ৰে'লমন্ত্ৰীগৰাকীয়ে লগতে গুৱাহাটী আৰু কলকাতাৰ মাজত ভাৰতীয় ৰে'লৰ নৱতম সংযোজন- বন্দে ভাৰত শ্লীপাৰ ৰে'ল সেৱা প্ৰৱৰ্তন কৰাৰ কথা ঘোষণা কৰে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰৱৰ্তী ১৫-২০ দিনৰ ভিতৰত এই ৰে'লসেৱা মুকলি কৰিব।

উল্লেখযোগ্য যে, ২০২৩ চনত প্ৰৱৰ্তন কৰা বন্দে ভাৰত ৰে'ল সেৱা এতিয়ালৈকে দিনৰ ভাগতহে চলাচল কৰিছিল। ৰে'ল মন্ত্ৰালয়ে ইতিমধ্যে নিশাৰ ভাগত চলাচল কৰিব পৰা বন্দে ভাৰত শ্লীপাৰ সেৱাৰ স্পীড ট্ৰায়েল সম্পন্ন কৰিছে আৰু এই ট্ৰায়েলত ৰে'লগাড়ীখনে ঘণ্টাত সৰ্বোচ্চ ১৮০ কিলোমিটাৰৰ গতিবেগ অতিক্ৰম কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপৰহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰে। উনবিংশ শতিকাৰ শেষ ভাগত আৱিষ্কৃত পিপৰহৱা অৱশেষ শাক্য বংশৰ প্ৰতিষ্ঠাতা গৌতম বুদ্ধৰ সৈতে জড়িত বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। এই অৱশেষৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন আৰু ৰাজহুৱা প্ৰদৰ্শনীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বুদ্ধৰ শিকণিসমূহত নিহিত শান্তি, কৰুণা আৰু জ্ঞানৰ সাৰ্বভৌম প্ৰমূল্যৰাজী প্ৰসাৰৰ নিৰন্তৰ প্ৰচেষ্টাকে প্ৰতিফলিত কৰে।

সাংস্কৃতিক মন্ত্ৰালয়ে এই প্ৰদৰ্শনীক দেশৰ সাংস্কৃতিক আৰু কূটনৈটিক ইতিহাসৰ এটা উল্লেখযোগ্য ক্ষণ বুলি অভিহিত কৰিছে। বিশ্বৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে এই অৱশেষক বিশেষ সন্মান দি আহিছে। সাংস্কৃতিক মন্ত্ৰালয়ে পদ্মালোকঃ আধ্যাত্মিকভাৱে জাগ্ৰত ব্যক্তিৰ অৱশেষ নামেৰে আয়োজন কৰা এই সাস্কৃতিক প্ৰদৰ্শনীত পিপৰহৱা অৱশেষৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব।

ooooo

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুলৈ যাব। ভ্ৰমনকালত উপৰাষ্ট্ৰপতিগৰাকীয়ে চেন্নাই আৰু ভেল্লোৰত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে আজি চেন্নাইৰ ডঃ এম জি আৰ শৈক্ষিক আৰু গৱেষণা প্ৰতিষ্ঠান বিশ্ববিদ্যালয়ত সমাৱৰ্তন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে ৰাম নাথ গোৱেংকা সাহিত্য সন্মান অনুষ্ঠানতো উপস্থিত থাকিব। চি পি ৰাধাকৃষ্ণণে কাইলৈ ভেল্লোৰত এটা অনুষ্ঠানত ভাগ ল'ব আৰু চেন্নাইত নৱম সিদ্ধ দিৱস উদযাপন অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

আন্তঃৰাষ্ট্ৰীয় সাংবাদিক মঞ্চ **IFJ**-ই ২০২৫ বৰ্ষত সমগ্ৰ বিশ্বত মুঠ ১২৮ জন সাংবাদিক আৰু সংবাদ কৰ্মীক হত্যা কৰা হৈছে বুলি প্ৰকাশ কৰিছে। সংবাদ জগতৰ বাবে বিগত বছৰটো এটা প্ৰাণঘাটি বছৰ আছিল বুলিও সংস্থাটোৱে মতপ্ৰকাশ কৰে। **IFJ**-ই এখন প্ৰতিবেদন যোগে প্ৰকাশ কৰা অনুসৰি মধ্যপ্ৰাচ্য আৰু আৰৱ অঞ্চলত বিশ্বৰ প্ৰায় ৫৮ শতাংশ অৰ্থাৎ৭৪ জন সাংবাদিকে প্ৰাণ হেৰুওৱাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটো সবাতোকৈ বিপদজনক হিচাপে পৰিগণিত হৈছে। কেৱল পেলেষ্টাইনতে গাজা যুদ্ধৰ ফলত ৫৬ জন সাংবাদিকৰ মৃত্যু হয়। য়েমেনত ১৩ জন, ইউক্ৰেইনত ৮ জন ছুদানত ৬ জন, ভাৰত আৰু পেৰুত ৪ জনকৈ আৰু পাকিস্তান, মেক্সিকো আৰু ফিলিপিনছত ৩ জনকৈ সাংবাদিকৰ মৃত্যু হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেংগালুৰুৰ পৰা কন্যাকুমাৰীলৈ সফলতাৰে চাইকেল যাত্ৰা সমাপ্ত কৰাৰ বাবে এছ. সুৰেশ কুমাৰক ভূয়সী প্ৰশংসা কৰিছে। এটা শুভেচ্ছা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে এই সফলতা কেৱল প্ৰশংসনীয়া আৰু প্ৰেৰণাদায়কেই নহয়, ই তেওঁৰ মনোবল আৰু অদম্য সাহসৰো পৰিচায়ক। শ্ৰীমোদীয়ে লগতে জোৰ দি কয়, যে এনে প্ৰচেষ্টাই শাৰীৰিক যোগ্যতা আৰু দৃঢ় সংকল্পৰ গুৰুত্বপূৰ্ণ বাৰ্তা সমাজলৈ প্ৰেৰণ কৰে। বিশেষকৈ স্বাস্থ্যগত বিভিন্ন গুৰুতৰ সমস্যা অতিক্ৰমি আহৰণ কৰা এনে সফলতাই সকলোকে অনুপ্ৰেৰণা যোগাব। প্ৰধানমন্ত্ৰী মোদীয়ে ফোনযোগে শ্ৰীকুমাৰৰ প্ৰচেষ্টা আৰু সাহসৰ প্ৰশংসা কৰে।

ooooo

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে ঘৰুৱা ৰন্ধন গেছৰ মূল্য সলনি হোৱা নাই বুলি স্পষ্ট কৰি দিছে। বাণিজ্যিক ৰন্ধন গেছৰ মূল্য ১১১ টকা বৃদ্ধি কৰা হৈছে বুলি একাংশ সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পোৱাৰ পাছতে

মন্ত্ৰ্যালয়ে এইদৰে স্পষ্টীকৰণ দিছে। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি বাণিজ্যিক ৰন্ধন গেছৰ মূল্য বজাৰৰ ভিত্তিত নিৰ্ধাৰিত হয় আৰু এই মূল্য নিৰ্ধাৰণৰ প্ৰক্ৰিয়া আন্তঃৰাষ্ট্ৰীয় বেঞ্চমাৰ্কৰ সৈতে জড়িত।

০০০০০

ভাৰতীয় অৰ্থনীতিত ৰপ্তানি এটা গুৰুত্বপূৰ্ণ স্তম্ভ বুলি বিত্তীয় সেৱা বিভাগে প্ৰকাশ কৰিছে। ই মুঠ ঘৰুৱা উৎপাদন জি ডি পিৰ প্ৰায় ২১ শতাংশ ৰপ্তানিৰ জৰিয়তে দেশে বৃহৎ পৰিমাণৰ বিদেশী মুদ্ৰা আহৰণ কৰিব পাৰে। সেই খণ্ডত প্ৰত্যক্ষ আৰু প্ৰৰোভভাৱে ৪ কোটি ৫০ লাখতকৈ অধিক লোক জড়িত হৈ আছে। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ এম এছ এম ইয়ে দেশৰ মুঠ ৰপ্তানিৰ প্ৰায় ৪৫ শতাংশ অৱদান আগবঢ়ায়। অৰ্থনৈতিক স্থিৰতা আৰু বিকাশ অব্যাহত ৰখাৰ ক্ষেত্ৰত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০০০

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে পহিলা ফেব্ৰুৱাৰীৰ পৰা নতুন ফাষ্ট টেগ জাৰী কৰাৰ বাবে আপোনাৰ বাহনখনক জানক KYV কাৰ্ডৰ প্ৰচলন বন্ধ কৰা হ'ব বুলি ঘোষণা কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে, ঘাইপথেৰে অহা-যোৱা কৰা লোকৰ সুবিধা আৰু ফাষ্ট টেগ সক্ৰিয়কৰণৰ পৰৱৰ্তী পৰ্যায়ৰ সমস্যা দূৰ কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। অকল অভিযোগ লাভ কৰা বিশেষ ঘটনাৰ ক্ষেত্ৰতহে KYV কাৰ্ড প্ৰয়োজন হ'ব বুলি মন্ত্ৰ্যালয়ে স্পষ্ট কৰি দিছে। কোনো ধৰণৰ অভিযোগ নাথাকিলে বৰ্তমানৰ ফাষ্ট টেগৰ বাবে KYV কাৰ্ড জৰুৰী নহ'ব।

০০০০০

ভাৰত শীঘ্ৰেই বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে আৰু দেশৰ অৰ্থনীতিৰ গতি ত্বৰান্বিত কৰাত কৃত্ৰিম বুদ্ধিমত্তাই বিশেষ ভূমিকা পালন কৰিছে। নতুন দিল্লীৰ ৰাষ্ট্ৰপতিভৱনত আয়োজিত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰস্তুতিৰ বাবে দক্ষতাৰ বিকাশ- SOAR শীৰ্ষক এটা বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি এইদৰে মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা এক প্ৰকাৰৰ প্ৰযুক্তি নহয়, বৰং দেশলৈ ইতিবাচক পৰিৱৰ্তন অনাৰ সুযোগ।

শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে অনাগত দশকত দেশৰ মুঠ ঘৰুৱা উৎপাদন, নিয়োগ আৰু সামগ্ৰিক উৎপাদনশীলতাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাই বিশেষ ভূমিকা পালন কৰিব। তেওঁ লগতে ডাটা বিজ্ঞান, কৃত্ৰিম বুদ্ধিমত্তা অভিযান্ত্ৰীকিকৰণ, তথ্য বিশ্লেষণৰ দৰে দক্ষতাই দেশত কৃত্ৰিম বুদ্ধিমত্তা প্ৰতিভাৰ ভাণ্ডাৰ গঢ়ি তোলাত উল্লেখনীয় ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে ভাৰতৰ দৰে যুৱ ৰাষ্ট্ৰৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা কেৱল প্ৰযুক্তি নহয়, বৰং ইতিবাচক পৰিৱৰ্তনৰ অপাৰ সুযোগ। তেওঁ লগতে কয়, যে বৰ্তমান কৃত্ৰিম বুদ্ধিতমত্তাৰ দ্ৰুত বিকাশ হৈছে আৰু এই প্ৰযুক্তি শিকি লোৱাটো সকলোৰে বাবে প্ৰয়োজনীয় হৈ উঠিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে উল্লেখ কৰে যে, কেন্দ্ৰীয় চৰকাৰে বিভিন্নে প্ৰতিষ্ঠান, ঔদ্যোগিক অংশীদাৰ আৰু শিক্ষানুষ্ঠানৰ সহযোগত কেৱল প্ৰযুক্তিৰ উদ্ভাৱনতেই গুৰুত্ব প্ৰদান কৰা নাই বৰং এটা ভৱিষ্যতৰ আকাৰ দিয়াৰ ক্ষেত্ৰতো দায়বদ্ধতাৰে কাম কৰি আহিছে। এই অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা তথা শিক্ষা ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীও উপস্থিত থাকে।

০০০০০

ভাৰতীয় ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশাসন আইনৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহৰ কাৰ্যকৰীকৰণৰ ফলত ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিষদ আৰু ক্ৰীড়া নায়াধীকৰণত পথ প্ৰসস্ত হৈছে। ইয়াৰ ফলত চৰকাৰে দেশৰ ক্ৰীড়া প্ৰশাসন ব্যৱস্থাক পুনক গঠন কৰিবলৈ সমৰ্থ হ'ব। যোৱা বছৰ আগষ্টত এই আইনখন সন্দৰ্ভত অধিসূচনা জাৰি কৰা হৈছিল আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই ক্ৰীড়া প্ৰশাসনৰ সংস্কাৰৰ বাবে ইয়াক ঐতিহাসিক বুলি অভিহিত কৰিছিল। আইনখনৰ জৰিয়তে অলিম্পিক আৰু পেৰালিম্পিক কমিটী আৰু ৰাষ্ট্ৰীয় সংঘসহ ৰাষ্ট্ৰীয় ক্ৰীড়া নিকায়সমূহৰ প্ৰশাসন ব্যৱস্থাৰ সংস্কাৰ কৰিব পৰা যাব।

অধিসূচনাত প্ৰকাশ কৰা ব্যৱস্থা অনুসৰি এই নিকায়সমূহত কাৰ্যকাৰী কমিটীৰ সদস্যৰ সংখ্যা সৰ্বাধিক ১৫ গৰাকী হ'ব আৰু সদস্যসকলৰ ভিতৰত কমেও দুগৰাকী খেলুৱৈ থাকিব লাগিব। প্ৰস্তাৱিত ৩ জনীয়া ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিষদৰ অনুদান মঞ্জুৰ কৰা, বিত্তীৰ উৎসৰ নিৰীক্ষণ আৰু ৰাষ্ট্ৰীয় সংঘসমূহক শাস্তি প্ৰদানৰ অধিকাৰ থাকিব।

ooooo

**সমাপ্ত**